# জনসংযোগ, অসম
# মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
# প্ৰেছ বাৰ্তা

**নং ঃ ৫৫/২০২২**

**অসমৰ অভিযান্ত্ৰিক শিক্ষণ প্ৰণালীক ‘ইণ্ডাষ্ট্ৰী-৪.০’ লৈ ৰূপান্তৰকৰণৰ দিশত টাটা গ্ৰুপৰ অভিলাষী পদক্ষেপ**

## ৰাজ্যৰ ৭৫ খন আই টি আই আৰু পলিটেকনিকক উৎকৰ্ষতাৰ কেন্দ্ৰ হিচাপে গঢ়ি তোলাৰ বাবে গ্ৰহণ কৰা হ’ব এক বিশেষ প্ৰকল্প

**দিছপুৰ, ১০ ফেব্ৰুৱাৰী ঃ** অসমৰ ঔদ্যোগিক প্ৰশিক্ষণ প্ৰতিষ্ঠান আৰু পলিটেকনিক প্ৰতিষ্ঠানসমূহক উৎকৰ্ষকতাৰ কেন্দ্ৰ হিচাপে গঢ় দিয়াৰ দিশত হাতত ল’ব খোজা এক বিশেষ প্ৰকল্প সন্দৰ্ভত সবিশেষ আলোচনাৰ বাবে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি টাটা গ্ৰুপৰ শীৰ্ষ বিষয়াসকলৰ সৈতে জনতা ভৱনস্থিত মুখ্যমন্ত্ৰীৰ সভাকক্ষত এক বৈঠকত মিলিত হয়। অভিযান্ত্ৰিক শিক্ষণ প্ৰণালীক ‘ইণ্ডাষ্ট্ৰী-৪.০’ লৈ ৰূপান্তৰকৰণৰ অভিলাষী লক্ষ্যৰে টাটা গ্ৰুপে ৰূপায়ণ কৰিব খোজা এই প্ৰকল্পৰ জৰিয়তে বিশেষভাৱে প্ৰস্তুত কৰা বহুকেইটা হ্ৰস্বম্যাদী আৰু দীৰ্ঘম্যাদী পাঠ্যক্ৰমৰ শিক্ষা প্ৰদানেৰে ৰাজ্যখনৰ সমগ্ৰ ৭৫ খন আই টি আই আৰু পলিটেকনিকক প্ৰযুক্তিৰ কেন্দ্ৰ হিচাপে গঢ় দিয়াৰ লক্ষ্য লোৱা হৈছে। ইয়াৰ জৰিয়তে প্ৰতিবাৰেই ৰাজ্যখনৰ ন সহস্ৰাধিক শিক্ষাৰ্থীয়ে শেহতীয়া অভিযান্ত্ৰিক প্ৰযুক্তি আৰু কৌশলৰ শিক্ষা গ্ৰহণ কৰিবলৈ সক্ষম হ’ব।

আজিৰ বৈঠকত টাটা গ্ৰুপৰ বিষয়ববীয়াসকলে প্ৰস্তাৱিত এই প্ৰকল্পৰ বিভিন্ন দিশ খৰচি মাৰি মুখ্যমন্ত্ৰীৰ সন্মুখত এক প্ৰেজেণ্টেশ্যন দাঙি ধৰে। মুখ্যমন্ত্ৰী ড° শৰ্মাই কিছু দিশ সালসলনিৰ পৰামৰ্শ দিয়াৰ লগতে আন কেতবোৰ গুৰুত্বপূৰ্ণ সমল সংযোজনৰো পৰামৰ্শ আগবঢ়ায়। এই পাঠ্যক্ৰমসমূহৰ শিক্ষাৰ্থীসকলৰ বাবে জলপানি আগবঢ়োৱা, টাটা গ্ৰুপৰ তৰফৰ পৰা প্ৰতিষ্ঠানসমূহত পাঁচ বছৰৰ বাবে অভিজ্ঞ শিক্ষক-নিৰ্দেশক নিয়োগ কৰা, স্থানীয় নিৰ্দেশকসকলক প্ৰশিক্ষণ প্ৰদান কৰা আদিৰ ব্যৱস্থা কৰিবলৈও তেওঁ টাটা গ্ৰুপৰ বিষয়ববীয়াসকলক আহ্বান জনায়।

ৰাজ্যখনৰ কাৰিকৰী শিক্ষাৰ দিশত নতুনত্বৰ সূচনা কৰিবলগীয়া এই গুৰুত্বপূৰ্ণ প্ৰকল্পটো ৰূপায়ণৰ বাবে আগবাঢ়ি অহাৰ বাবে মুখ্যমন্ত্ৰীয়ে টাটা গ্ৰুপক ধন্যবাদ জ্ঞাপন কৰে। প্ৰকল্পটো ৰূপায়ণৰ বাবে শিক্ষা প্ৰতিষ্ঠানসমূহৰ চৌহদত প্ৰয়োজনীয় ভূমিৰ যোগান ধৰা, যাৱতীয় আন্তঃগাঁথনি নিৰ্মাণ কৰা আদিৰ লগতে অন্যান্য সকলোধৰণৰ সহযোগিতা আগবঢ়োৱা হ’ব বুলি তেওঁ জানিবলৈ দিয়ে।

প্ৰকল্পটো ৰূপায়ণৰ বাবে তৎকালে এক বুজাবুজিৰ চুক্তি প্ৰস্তুত কৰাৰ লগতে চুক্তি স্বাক্ষৰৰ বাবে এক বিশেষ অনুষ্ঠানৰ আয়োজন কৰিবলৈ মুখ্যমন্ত্ৰীয়ে শিক্ষা বিভাগক নিৰ্দেশ দিয়ে।

আজিৰ বৈঠকত শিক্ষা মন্ত্ৰী ৰণোজ পেগু, শিক্ষা বিভাগৰ উপদেষ্টা ননীগোপাল মহন্ত, শিক্ষা বিভাগৰ প্ৰধান সচিব বি কল্যাণ চক্ৰৱৰ্তী, উদ্যোগ আৰু বাণিজ্য বিভাগৰ প্ৰধান সচিব কে কে দ্বিবেদী, টাটা গ্ৰুপৰ শীৰ্ষ বিষয়া পি জে নাথৰ লগতে প্ৰতিষ্ঠানটোৰ আন কেইবাগৰাকীও শীৰ্ষ বিষয়া উপস্থিত থাকে।

**প্ৰঃকুঃবঃ**
**১০-২-২০২২**